# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 18-06-2026

**Time :** 1845 Hrs.

***Assamese Evening Bulletin***

## HEADLINE

ooooo

## HEADLINES

১। মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত শিক্ষা বিভাগৰ পৰ্যালোচনা বৈঠক অনুষ্ঠিত।

২। অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ প্ৰস্তুতি অব্যাহত। মেলাৰ বাবে ২৪ গৰাকী অসামৰিক সেৱাৰ বিষয়াক দায়িত্ব অৰ্পণ।

৩। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন চৰকাৰৰ ১২ বছৰ পূৰ্তি উপলক্ষে ৰাজ্যৰ বিভিন্ন ঠাইত ভিন ভিন কাৰ্যসূচীৰ আয়োজন।

৪। কাৰ্বি কল্যাণ স্বায়ত্ত শাসিত পৰিষদৰ সদস্যসকলৰ আজি শপত গ্ৰহণ।

**আৰু**

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা গ্ৰুপ-এৰ এখন খেলত চেকিয়া আৰু দক্ষিণ আফ্ৰিকা মুখামুখি।

ooooo

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ অধ্যক্ষতাত আজি শিক্ষা বিভাগৰ এখন পৰ্যালোচনা বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিদ্যালয়, মাধ্যমিক, উচ্চ আৰু কাৰিকৰী শিক্ষা খণ্ডৰ সামগ্ৰিক অগ্ৰগতিৰ পৰ্যালোচনা কৰা হয়। তদুপৰি উচ্চ শিক্ষা আৰু বিদ্যালয় শিক্ষা বিভাগৰ বাজেট প্ৰস্তাৱৰ লগতে বৰ্তমান ৰূপায়ণ হৈ থকা আঁচনিসমূহৰ পৰ্যালোচনা তথা শিক্ষা বিভাগৰ সৈতে জড়িত গুৰুত্বপূৰ্ণ বিষয়সমূহ পৰ্যালোচনা কৰা হয়। ডঃ শৰ্মাই এই বৈঠকতে নিযুত মইনা আৰু নিযুত বাবু আঁচনিৰ ৰূপায়ণ, বিনামূলীয়া স্কুটী, চাইকেল আৰু পাঠ্যপুথি বিতৰণৰ উপৰি বিনামূলীয়া নামভৰ্তি আঁচনিৰ অগ্ৰগতিৰ বুজ লয়। তেওঁ লগতে চৰকাৰী আদৰ্শ মহাবিদ্যালয়, চাহ বাগিছা আদৰ্শ বিদ্যালয় আৰু শিক্ষক নিযুক্তি প্ৰক্ৰিয়াৰো মূল্যায়ন কৰে।

ooooo

শক্তিপীঠ কামাখ্যা ধামত হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। ৰাজ্য চৰকাৰৰ কৰ্মচাৰী বিভাগে অহা ২২ জুনৰ পৰা কামাখ্যা মন্দিৰত হ'বলগীয়া অম্বুবাচী মেলাৰ বাবে ২৪ গৰাকী অসামৰিক সেৱাৰ বিষয়াক দায়িত্ব অৰ্পণ কৰিছে। আজি কামাখ্যা দেৱালয়ত আয়োজিত এখন সংবাদ মেলত কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত স্বপ্নীল পালে অম্বুবাচী মেলাৰ যাৱতীয় ব্যৱস্থাপনা সন্দৰ্ভত বিস্তৃতভাৱে ব্যাখ্যা কৰে। তেওঁ কয়, যে অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ

বাবে কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু বন্দৰত দুটা শিবিৰ স্থাপন কৰা হৈছে। এই শিবিৰসমূহত হেজাৰ হেজাৰ ভক্তৰ বাবে থকা-খোৱা, চিকিৎসা, অনাময় আদিৰ সুব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু বন্দৰত স্থাপন কৰা শিবিৰৰ মাজত যাতায়াতৰ বাবে প্ৰশাসনৰ ফালৰ পৰা অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছৰ ব্যৱস্থা থাকিব বুলি জানিবলৈ দিয়ে। ইয়াৰ বিপৰীতে শিবিৰৰ পৰা মন্দিৰলৈ যোৱাৰ বাবে কোনো ধৰণৰ পৰিবহন ব্যৱস্থা নাথাকিব। ভক্তসকলৰ সুবিধাৰ্থে নাৰ্চাৰী পইণ্ট, নীলাচল পাহাৰৰ ওপৰত, মন্দিৰৰ পশ্চিম প্ৰবেশ দ্বাৰৰ সমীপত আৰু প্ৰশান্তি ল'জৰ ওচৰত মুঠ চাৰিটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয়, যে নিয়ন্ত্ৰণ কক্ষসমূহত জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু বিভিন্ন বিভাগৰ লোকসকল থকাৰ উপৰি ৭০০-৮০০ মিটাৰৰ দূৰে দূৰে সাতটা স্থানত স্থাপন কৰা হেল্পডেস্কত তিনিজনকৈ বিষয়া থাকিব। ভক্তসকলৰ সুবিধাৰ্থে মন্দিৰৰ তলৰ পৰা ওপৰলৈ কাৰ্পেটৰ ব্যৱস্থা থাকিব আৰু গৰমৰ প্ৰতি লক্ষ্য ৰাখি জল বোৰ্ডৰ পাইপেৰে পথৰ ওপৰত পানী ছটিওৱাৰো ব্যৱস্থা কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

ইপিনে, অম্বুবাচী মেলা সন্দৰ্ভত মা কামাখ্যা মন্দিৰৰ কৰ্তৃপক্ষই পৃথকে আয়োজন কৰা এখন সংবাদ মেলত মুখ্য দলৈ কবীন্দ্ৰ প্ৰসাদ শৰ্মাই অম্বুবাচী মহাযোগৰ প্ৰবৃত্তি আৰু নিবৃত্তিৰ বিষয়ে প্ৰকাশ কৰে।

-বাইট(মুখ্য দলৈ)-

০০০০০

বৈদেশিক পৰিক্ৰমা আৰু বস্ত্ৰ মন্ত্ৰালয়ৰ ৰাজ্য মন্ত্ৰী পৱিত্ৰ মাৰ্ঘেৰিটাই আজি প্ৰয়াত কবি জোনমণি দাসৰ পৰিয়ালক সাক্ষাৎ কৰে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে জনসংযোগ অভিযানৰ অংশ হিচাপে শিৱসাগৰৰ থানামুখত থকা প্ৰয়াত দাসৰ বাসগৃহত গৈ তেওঁৰ পৰিয়ালক সমবেদনা জ্ঞাপন কৰে। মন্ত্ৰীগৰাকীয়ে মাৰ্ঘেৰিটা পৰিয়ালৰ উদ্যোগত চলি অহা সাহিত্যিক দেওৰাম তাছা সোঁৱৰণী স্কলাৰশ্বিপৰ অধীনত জোনমণি দাসৰ জ্যেষ্ঠ সন্তানৰ শিক্ষাৰ ব্যয় বহন কৰাৰ কথা ঘোষণা কৰে। তেওঁ লগতে মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা অনুমোদিত ১ লাখ টকাৰ আৰ্থিক সাহায্যও অচিৰেই পৰিয়ালক প্ৰদান কৰা হ'ব বুলি জানিবলৈ দিয়ে।

বাইট (পৱিত্ৰ মাৰ্ঘেৰিটা)

০০০০০

অহা ২১ জুন, দেওবাৰে হ'বলগীয়া চিকিৎসা বিজ্ঞানৰ স্নাতক পাঠ্যক্ৰমত নামভৰ্তিৰ প্ৰৱেশ পৰীক্ষা - নীট-২০২৬ৰ পুনৰ পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰাৰ উদ্দেশ্যে আজি যোৰহাটৰ জিলা আয়ুক্তৰ কাৰ্য্যালয়ত এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত ভাৰপ্ৰাপ্ত জিলা আয়ুক্ত তথা জিলা উন্নয়ন আয়ুক্ত শ্যামল ক্ষেত্ৰ গগৈৰ সভাপতিত্বত অনুষ্ঠিত পৰীক্ষা সুকলমে অনুষ্ঠিত কৰিবলৈ ল'বলগীয়া পদক্ষেপসমূহৰ বিষয়ে বিতংভাৱে আলোচনা কৰা হয়। বৈঠকত জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক, অতিৰিক্ত জিলা আয়ুক্ত, চক্ৰ বিষয়া, সংশ্লিষ্ট পৰীক্ষা কেন্দ্ৰসমূহৰ অধ্যক্ষ তথা অধ্যাপকসকল, সহকাৰী আয়ুক্তসকল, আৰক্ষী বিভাগৰ উচ্চপদস্থ বিষয়াসকলৰ লগতে আন সংশ্লিষ্ট বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০

বৰপেটা জিলাৰ সৰুক্ষেত্ৰী, গোমা ফুলবাৰী, মন্দিয়া আৰু পাকা বেটবাৰী উন্নয়ন খণ্ডত আজি একোটাকৈ জনকল্যাণমূলক শিৱিৰ অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ১২ বছৰীয়া কাৰ্য্যকালৰ সৈতে সংগতি ৰাখি আয়োজন কৰা এই শিৱিৰত চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ বিষয়ে জনসাধাৰণক অৱগত কৰোৱা হয়। লগতে, চৰকাৰৰ বিভিন্ন বিভাগৰ উদ্যোগত অনুষ্ঠিত প্ৰদৰ্শনীত বিভাগসমূহৰ মুৰব্বী তথা বিশেষজ্ঞ প্ৰতিনিধিসকল উপস্থিত থাকে। এই অনুষ্ঠানত জ্যেষ্ঠ সাংবাদিক নৰেশ কলিতা সমল ব্যক্তিৰূপে উপস্থিত থাকে। তেওঁ নৰেন্দ্ৰ মোদীৰ কাৰ্য্যকালত যোৱা ১২ বছৰত দেশে লাভ কৰা প্ৰগতিৰ বিষয়ে উল্লেখ কৰে। অনুষ্ঠানত উপস্থিত থকা বৰপেটাৰ বিধায়ক দীপক কুমাৰ দাসে প্ৰশাসন আৰু চৰকাৰৰ কাম-কাজক ৰাইজৰ ওচৰ চপাই নিয়াৰ বাবেই এই শিৱিৰ অনুষ্ঠিত কৰা হয় বুলি উল্লেখ কৰে। অনুষ্ঠানত বৰপেটাৰ উন্নয়ন আয়ুক্তৰ লগতে কেইবাগৰাকী জিলা আয়ুক্তও উপস্থিত থাকে।

কাৰ্বি আংলঙৰ ডিফুতো আজি জনকল্যাণ শিৱিৰ আয়োজন কৰা হয়। ডিফুৰ ছাৰচিং টেৰণ টাউন হলত অনুষ্ঠিত কাৰ্যসূচীত কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তথা ৰংখাং বিধানসভা সমষ্টিৰ বিধায়ক তুলিৰাম ৰংহাং মুখ্য অতিথি হিচাপে উপস্থিত থাকে। পাহাৰীয়া জিলাখনত কেন্দ্ৰীয় চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক আঁচনিসমূহৰ সুফলসমূহ জনসাধাৰণে লাভ কৰিছে বুলি  তেওঁ উল্লেখ কৰে। এই কাৰ্যসূচীত ডিফু লোকসভা সমষ্টিৰ সাংসদ অমৰচিং তিছো, বিধায়কদ্বয় নিছো টেৰাংপী আৰু ড০ হাবে টেৰণ, জিলা আয়ুক্ত আৰণ্যক শইকীয়া, কাৰ্বি আংলং স্বায়ত্ত শাসিত পৰিষদৰ উপাধ্যক্ষ অভিজিত ক্ৰ'কে ধৰি ভালে সংখ্যক বিষয়া-কৰ্মচাৰী উপস্থিত থাকে।

শোণিতপুৰ জিলাতো আজি তিনিদিনীয়া কাৰ্য্যসূচীৰে জন-কল্যাণ শিৱিৰ আৰম্ভ হৈছে। জিলাখনৰ সকলো উন্নয়ন খণ্ডতে আজি আৰম্ভ হোৱা এই শিৱিৰৰ পৰহিলৈ সামৰণি পৰিব।

ইপিনে, ৰাজ্য চৰকাৰ আৰু জিলা প্ৰশাসনৰ উদ্যোগত হাইলাকান্দি জিলাত আজিৰে পৰা তিনিদিনীয়াকৈ জনকল্যাণ শিৱিৰ অনুষ্ঠিত হৈছে। হাইলাকান্দিৰ বিধায়ক ডাঃ মিলন দাসে আজি এই শিবিৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে।

ওদালগুৰি জিলাতো আজি প্ৰধানমন্ত্ৰীৰ ১২ বছৰীয়া কাৰ্য্যকালৰ সৈতে সংগতি ৰাখি বিজেপিৰ ওদালগুৰি জিলা কৃষক মৰ্চাৰ উদ্যোগত আৰু জিলা কৃষি বিভাগৰ সহযোগত টংলাত জৈৱিক কৃষি সম্পৰ্কীয় বিশেষ কৰ্মশালা অনুষ্ঠিত হয়। শ্বহীদ সুজিত নাৰ্জাৰী প্ৰেক্ষাগৃহত অনুষ্ঠিত এই কৰ্মশালাত বিধায়ক বিকন চন্দ্ৰ ডেকাৰ লগতে ৰাজ্য চৰকাৰৰ কৃষি বিভাগৰ বিষয়া আৰু কে ভি কেৰ কেইবাগৰাকী বিজ্ঞানী উপস্থিত থাকে।

০০০০০

০০০০০

ৰাজ্যৰ খাদ্য আৰু গ্ৰাহক পৰিক্ৰমা বিভাগৰ মন্ত্ৰী কৌশিক ৰায়ে কয় যে বৰাক উপত্যকাৰ পথ আৰু যোগাযোগ আন্তঃগাঁথনিৰ উন্নয়ন পুনৰনিৰ্মাণ আৰু মেৰামতিৰ সৈতে জড়িত কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্পৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। উপত্যকাটোত যোগাযোগ ব্যৱস্থা অধিক উন্নত, সুৰক্ষিত আৰু আধুনিক কৰি গঢ়ি তোলাৰ বাবে বিভিনন প্ৰকল্প বৰ্তমান অব্যাহত আছে আৰু ভালেমান প্ৰকল্প সন্দৰ্ভত আলোচনা অব্যাহত আছে। বিশেষকৈ মালিদহৰ পৰা বদৰপুৰলৈ ৰাষ্ট্ৰীয় ঘাইপথৰ পুনৰনিৰ্মাণৰ কাম, শিলচৰ চহৰৰ কেপিটেল পইণ্টৰ পৰা ৰাংগীৰখাৰিলৈ আৰু পয়লাপুলৰ পৰা কুমাচৰালৈ যোৱাৰ পথৰ লগতে শিলচৰ-জিৰিবাম সংযোগী পথৰ নিৰ্মাণৰ

অগ্ৰগতি সন্দৰ্ভত সবিশেষ বুজ লয়। মন্ত্ৰীগৰাকীয়ে কয় যে  বৰাক উপত্যকা আৰু জনসাধাৰণৰ যাতায়াত ব্যৱস্থা সহজ তথা সুৰক্ষিত কৰি তোলাৰ বাবে এই প্ৰকল্পসমূহৰ নিৰ্মাণ কাৰ্য অতি শীঘ্ৰে সমাপ্ত কৰা হ'ব। উল্লেখযোগ্য যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা নেতৃত্বাধীন চৰকাৰে ৰাজ্যত পথ যোগাযোগ ব্যৱস্থা অধিক উন্নত কৰাৰ বাবে বিশেষ অগ্ৰাধিকাৰ দিছে।

০০০০০

বিশ্বনাথ জিলা অসামৰিক চিকিৎসালয়ত আজি বিগত দুটা বৰ্ষত এহেজাৰৰো অধিক সৰ্পদংশন ৰোগীক সুস্থ কৰি তোলা চিকিৎসক তথা চিকিৎসা কৰ্মীসকলক বিশেষভাৱে অভিনন্দন জনোৱা হয়। উল্লেখযোগ্য যে, সৰ্পবান্ধৱ হিচাপে পৰিচিত সৌৰভ বৰকটকীৰ সৌজন্যত বিগত দুটা বৰ্ষত তেওঁলোকে সাপে খোঁটা লোকসকলক চিকিৎসা প্ৰদান কৰি সুস্থ কৰি তুলিছে। এই ক্ষেত্ৰত চিকিৎসালয়খনৰ অধীক্ষক ডাঃ ৰিপন চুতীয়াই বিশেষভাৱে সেৱা আগবঢ়ায়। অনুষ্ঠানৰ আৰম্ভণিতে জিলা আয়ুক্ত লক্ষ্মীনন্দন চহৰীয়াই চিকিৎসালয় চৌহদত এটা ৰুদ্ৰাক্ষৰ পুলি ৰোপন কৰে। জিলা আয়ুক্তগৰাকীয়ে সকলো চিকিৎসা কৰ্মী তথা সৰ্পবান্ধৱসকলৰ শলাগ লোৱাৰ লগতে অনাগত দিনত চিকিৎসালয়খনত দুখন আই চি ইউ বিছনাৰ ব্যৱস্থা কৰা হ'ব বুলি জানিবলৈ দিয়ে।

বাইট (জিলা আয়ুক্ত)

০০০০০

মিজোৰামৰ একমাত্ৰ ৰাজ্যসভাৰ আসনখনৰ বাবে আজি মিজোৰাম বিধানসভাৰ মুঠ ৪০ গৰাকী সদস্যৰ ভিতৰত ৩৬গৰাকীয়ে ভোটদান কৰে। এগৰাকী চৰকাৰী বিষয়াই জনোৱা মতে ৰাজ্যখনৰ বিধানসভা প্ৰাংগনত কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত পুৱা ৯ বজাৰ পৰা ভোটগ্ৰহণ অনুষ্ঠিত হয়। বিয়লি ৪ বজাত ভোটগ্ৰহণৰ সময়সীমা নিৰ্ধাৰণ কৰা হৈছিল যদিও দিনৰ প্ৰায় ১১ বজাতে ভোটগ্ৰহণ প্ৰক্ৰিয়া সমাপ্ত হয়। মুখ্যমন্ত্ৰী লালদুহোমা আৰু গৃহমন্ত্ৰী কে ছাপদাংগাকে ধৰি শাসনাধিষ্ঠিত জোৰাম পিপ্‌লছ ম'ভমেণ্টৰ ২৬ জন সদস্য আৰু বিৰোধী মিজো নেচনেল ফ্ৰণ্টৰ ১০জন বিধায়কে ভোটদান কৰে। বিজেপিৰ দুজন বিধায়ক আৰু কংগ্ৰেছৰ একমাত্ৰ বিধায়কজন ভোটগ্ৰহণৰ পৰা বিৰত থকাৰ বিপৰীতে জোৰাম পিপ্‌লছ ম'ভমেণ্ট দলৰ এজন বিধায়ক স্বাস্থ্যজনিত কাৰণৰ বাবে নিৰ্বাচনত অংশগ্ৰহণ কৰিব নোৱাৰিলে।

০০০০০

কাৰ্বি কল্যাণ স্বায়ত্ত শাসিত পৰিষদৰ সদস্যসকলে আজি গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ বাণীকান্ত কাকতি প্ৰেক্ষাগৃহত আয়োজিত এটা অনুষ্ঠানত শপত গ্ৰহণ কৰে। নৱগঠিত পৰিষদৰ ২৬গৰাকী সদস্যক ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ সচিব সুষমা হাজৰিকাই শপতবাক্য পাঠ কৰোৱায়। অনুষ্ঠানত অংশ লৈ ভৈয়াম জনজাতি পৰিক্ৰমা বিভাগৰ মন্ত্ৰী ডাঃ ৰণোজ পেগুৱে ছাৰচিং ইংতিৰ নেতৃত্বত গঠন হোৱা কাৰ্বি কল্যাণ স্বায়ত্ত শাসিত পৰিষদৰ সকলো সদস্যলৈ অভিনন্দন জ্ঞাপন কৰে। ডাঃ পেগুৱে কাৰ্বি সমাজৰ কল্যাণ, সৱলীকৰণ আৰু উন্নয়নৰ বাবে এই পৰিষদখনে কাম কৰি যাব বুলি আশা প্ৰকাশ কৰে। উল্লেখযোগ্য যে ভাৰত চৰকাৰ, অসম চৰকাৰ আৰু কাৰ্বি উগ্ৰপন্থী সংগঠনৰ মাজত ২০২১ চনত স্বাক্ষৰিত কাৰ্বি শান্তি চুক্তি অনুসৰি

কাৰ্বি আংলঙৰ ষষ্ঠ অনুসূচীভুক্ত এলেকাৰ বাহিৰত বসবাস কৰা কাৰ্বি জনগোষ্ঠীৰ লোকসকলৰ কল্যাণ আৰু স্বাস্থ্য সুৰক্ষিত কৰাৰ উদ্দেশ্যে কাৰ্বি কল্যাণ স্বায়ত্ত শাসিত পৰিষদ গঠন কৰা হৈছিল।

oooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা আমেৰিকাৰ আটলাণ্টা ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-এৰ এখন খেলত চেকিয়া, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব। চেকিয়াই ইয়াৰ পূৰ্বে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত হোৱাৰ পাছত আজিৰ খেলত পইণ্ট জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। একেদৰে দক্ষিণ আফ্ৰিকাইও পূৰ্বৰ খেলত মেক্সিকোৰ হাতত ২-০ গ'লত পৰাস্ত হোৱাৰ পাছত প্ৰতিযোগিতাত প্ৰথমটো পইণ্ট অৰ্জনৰ বাবে চেষ্টা চলাব। প্ৰতিযোগিতাত ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া আন এখন খেলত ছুইজাৰলেণ্ড, বছনিয়া আৰু হাৰ্জেগোভিনা বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

ৰাজ্যৰ পশুপালন খণ্ডত কৃত্ৰিম প্ৰজনন পদ্ধতিৰ আধুনিকীকৰণ, ৰাষ্ট্ৰীয় ডিজিটেল পশুধন অভিযানৰ ৰূপায়ণ আৰু সংশ্লিষ্ট কাৰ্য্য-কলাপ সন্দৰ্ভত কাইলৈ সজাগতা কাৰ্য্যসূচী অনুষ্ঠিত হ'ব। খানাপাৰাৰ অসম প্ৰশাসনিক পদাধিকাৰ মহাবিদ্যালয়ৰ প্ৰেক্ষাগৃহত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত হ'বলগীয়া এই কাৰ্য্যসূচীত পশুপালন আৰু পশু চিকিৎসা বিভাগৰ মন্ত্ৰী নীলিমা দেৱী মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। অনুষ্ঠানত মুখ্য সচিব কৈলাশ চান্দ চামৰীয়া, পশুপালন আৰু পশু চিকিৎসা বিভাগৰ সচিব, সঞ্চালক আৰু বিভিন্ন জিলাৰ পৰা অহা পশুপালন আৰু পশু চিকিৎসা বিষয়াসকল উপস্থিত থাকিব। এই অনুষ্ঠানতে আফ্ৰিকান ছোৱাইন ফিভাৰ, হাঁহ-কুকুৰা পালন আৰু পশুধনৰ কৃত্ৰিম প্ৰজনন সন্দৰ্ভত ৰাজ্য চৰকাৰে জাৰি কৰা তিনিটা আদৰ্শ পৰিচালনা পদ্ধতি মুকলি কৰা হ'ব। ইয়াৰ লগতে অলপতে প্ৰশিক্ষণ লাভ কৰা পশুধন প্ৰজনন কৰ্মীসকলৰ ভাট্টা, প্ৰমাণ পত্ৰ আৰু কৃত্ৰিম প্ৰজনন সঁজুলি প্ৰদান কৰা হ'ব। অনুষ্ঠানত এখন তথ্য-চিত্ৰও প্ৰদৰ্শন কৰা হ'ব।

ooooo

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি নিশা আমেৰিকাৰ আটলাণ্টা ষ্টেডিয়ামত হ'বলগীয়া গ্ৰুপ-এৰ এখন খেলত চেকিয়া, দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা চাৰে ৯ বজাত আৰম্ভ হ'ব। চেকিয়াই ইয়াৰ পূৰ্বে দক্ষিণ কোৰিয়াৰ বিৰুদ্ধে ২-১ গ'লৰ ব্যৱধানত পৰাস্ত হোৱাৰ পাছত আজিৰ খেলত পইণ্ট জয়ৰ বাবে আপ্ৰাণ চেষ্টা চলাব। একেদৰে দক্ষিণ আফ্ৰিকাইও পূৰ্বৰ খেলত মেক্সিকোৰ হাতত ২-০ গ'লত পৰাস্ত হোৱাৰ পাছত প্ৰতিযোগিতাত প্ৰথমটো পইণ্ট অৰ্জনৰ বাবে চেষ্টা চলাব। প্ৰতিযোগিতাত ভাৰতীয় সময় অনুসৰি আজি নিশা চাৰে ১২ বজাত হ'বলগীয়া আন এখন খেলত ছুইজাৰলেণ্ড, বছনিয়া আৰু হাৰ্জেগোভিনা বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ooooo

সমাপ্ত